# REGIONAL NEWS UNIT
AKASHVANI, GUWAHATI
0000000000

**Date :** 05-03-2025
**Time:** 1205 Hrs

## *Assamese Midday Bulletin*

**- - - - - - - - - - - - - -**

ৰাজ্য চৰকাৰৰ **স্বনিৰ্ভৰ নাৰী আঁচনিৰ** অধীনত বিগত বৰ্ষৰ দৰে এইবাৰো শিপিনীসকলৰ পৰা বস্ত্ৰ ক্ৰয়ৰ প্ৰক্ৰিয়া আৰম্ভ হৈছে। ইয়াৰ বাবে বিভিন্ন জিলাত ২৯টা ক্ৰয় কেন্দ্ৰ স্থাপন কৰা হৈছে। এই আঁচনিৰ অধীনত জিলা আৰু মহকুমা পৰ্যায়ত স্থাপন কৰা অস্থায়ী ক্ৰয় কেন্দ্ৰৰ জৰিয়তে শিপিনী তথা উদ্যোগীসকলে নিজৰ সামগ্ৰী বিক্ৰী কৰি বেংক একাউন্টযোগে পোনপটীয়াকৈ ধন লাভ কৰিব পাৰিব। আঁচনিখনৰ অধীনত হস্ততাঁত খণ্ডৰ লগত জড়িত উদ্যোগীসকলৰ পঞ্জীয়ন, ক্ষেত্ৰভিত্তিক পৰীক্ষণ আৰু প্ৰমাণ পত্ৰও প্ৰদান কৰা হয়। এই আঁচনিৰ অধীনত বৰ্তমানলৈকে ৫ লাখ ৬৪ হাজাৰ ৮১১ গৰাকী শিপিনীয়ে নাম পঞ্জীয়ন কৰিছে। ইতিমধ্যে ১৯ কোটিৰো অধিক মূল্যৰ ৫ লাখ ৫৪ হাজাৰ ৮৯২ বিধ পৰম্পৰাগত বস্ত্ৰ সামগ্ৰী ক্ৰয় কৰি আৰ্টফেড আৰু অসম চৰকাৰৰ বেচা-কিনা নিগমৰ জৰিয়তে বিক্ৰীৰ ব্যৱস্থা কৰা হৈছে।

ooooo

অসমসহ উত্তৰ পূৰ্বাঞ্চলৰ বিভিন্ন ৰাজ্যত আজি পুৱা প্ৰায় ১১ বাজি ৬ মিনিটত ভূমিকম্পৰ জোকাৰণি অনুভূত হয়। ৰিখটাৰ স্কেলত এই ভূমিকম্পৰ প্ৰাবল্য আছিল ৫ দশমিক ৭। আমেৰিকা যুক্তৰাষ্ট্ৰৰ ভূকম্পন বিজ্ঞান কেন্দ্ৰই প্ৰকাশ কৰা মতে মণিপুৰৰ ছংদাঙৰ পৰা ২৯ কিলোমিটাৰ নিলগত এই ভূমিকম্পৰ অভিকেন্দ্ৰ আছিল। ম্যানমাৰতো এই ভূমিকম্পৰ জোকাৰণি অনুভূত হোৱা বুলি জানিব পৰা গৈছে। ভূমিকম্পৰ ফলত এতিয়ালৈকে ধন-জন হানি হোৱাৰ বাতৰি পোৱা হোৱা নাই।

ooooo

অসম বিধানসভাৰ বাজেট অধিবেশনৰ আজি সপ্তম দিনৰ কাৰ্যক্ৰমণিকা প্ৰশ্নোত্তৰ শিতানেৰে আৰম্ভ হয়। প্ৰশ্নোত্তৰ কালত অসম চুক্তি ৰূপায়ণ মন্ত্ৰী অতুল বৰাই ৰাজ্যত যোৱা ৩১ জানুৱাৰী পৰ্যন্ত ১ লাখ ৬৫ হাজাৰ ৯৯২জন বিদেশী নাগৰিক চিনাক্ত কৰা বুলি আৰু ইয়াৰে ৩০ হাজাৰ ১১৫জনক নিজ দেশলৈ ঘূৰাই পঠিওৱা বুলি প্ৰকাশ কৰে।

ooooo

ৰাজ্যৰ মিচিং জনগোষ্ঠী বসতিপ্ৰধান অঞ্চলসমূহত আজি জনগোষ্ঠীটোৰ অন্যতম কৃষিভিত্তিক উৎসৱ পঃৰাগ বা নৰাছিগা বিহু উদযাপন কৰা হৈছে। ধেমাজি জিলাৰ জোনাইৰ অৰুণাচল সীমান্তৰ পুৰণা জেলমগাঁৱত আজিৰেপৰা তিনিদিনীয়াকৈ এই উৎসৱ অনুষ্ঠিত কৰা হৈছে। উল্লেখযোগ্য যে জনগোষ্ঠীটোৰ লোকসকলে পৰম্পৰা অনুসৰি সৃষ্টিকৰ্তা, মাতৃ, পৃথিৱী তথা পূৰ্বপুৰুষক তুষ্ট কৰাৰ বাবে এই উৎসৱ পালন কৰি আহিছে। ডেকা-গাভৰুসকলৰ নেতৃত্বত আয়োজন কৰা এই উৎসৱলৈ দূৰণিলৈ বিয়া হৈ যোৱা জীয়ৰী আৰু জোঁৱাইসকলকো নিমন্ত্ৰণ কৰি আদৰণি জনোৱা হয়। সকলোকে সুস্বাদু খাদ্যৰে আপ্যায়ন কৰি ডেকা-গাভৰুসকলে নৃত্য গীতো

পৰিৱেশন কৰে। গাঁওখনৰ পৰা অপায়-অমংগল দূৰ কৰাৰ বাবে পৰম্পৰাগত বিশ্বাসেৰে এই পঃৰাগ উৎসৱ বা নৰা ছিগা বিহু পালন কৰা হয়।

০০০০০

ৰাজ্যৰ বিভিন্ন প্ৰান্তত কালিৰে পৰা ৰাষ্ট্ৰীয় স্বাস্থ্য অভিযান অসমৰ কৰ্মচাৰীসকলে সপ্তম দৰমহা আয়োগৰ পৰামৰ্শ অনুসৰি বেতনসহ বকেয়া প্ৰদান, উচ্চতম ন্যায়ালয়ৰ নিৰ্দেশ অনুসৰি সম কাম-সম বেতন আৰু সমান সুযোগ সুবিধাৰ দাবীত তিনিদিনীয়া কৰ্ম বিৰতি কাৰ্যসূচী ৰূপায়ণ কৰিছে। কামৰূপ জিলাত আজি দ্বিতীয় দিনা এহেজাৰৰো অধিক কৰ্মচাৰীয়ে কৰ্মবিৰতিত অংশ লয়।

শিৱসাগৰ, ধেমাজি, শিলচৰ, দক্ষিণ শালমাৰা মানকাচৰ, বৰপেটা বজালী জিলাতো এন এইচ এমৰ ঠিকাভিত্তিক কৰ্মচাৰীসকলেও প্ৰাপ্য অধিকাৰৰ দাবীত কৰ্ম বিৰতি কাৰ্যসূচী ৰূপায়ণ কৰাৰ বাতৰি পোৱা গৈছে।

স্বাস্থ্য কৰ্মীসকলৰ কৰ্মবিৰতিৰ ফলত জনসাধাৰণ অসুবিধাৰ সন্মুখীন হ'বলগীয়া হৈছে।

০০০০০

ৰাষ্ট্ৰীয় লোক আদালতৰ অংশ হিচাপে অহা ৮ মাৰ্চত ৰাজ্যৰ বিভিন্ন অংশত লোক আদালতৰ আয়োজন কৰা হৈছে। সেইদিনা ডিব্ৰুগড়ৰ ফুলবাগানস্থিত আদালত চৌহদত লোক আদালত অনুষ্ঠিত কৰা হ'ব। অসম ৰাজ্যিক আইনী সেৱা প্ৰাধিকৰণৰ সৌজন্যত  আয়োজিত এই লোক আদালতত সৰু-সুৰা গোচৰ, চেক বাউন্সৰ গোচৰ, মটৰ দুৰ্ঘটনাজনিত গোচৰ, বুজাবুজি আৰু সমিলমিলৰ মাজেৰে সমাধান কৰা হ'ব। ডিব্ৰুগড় জিলা আইনী প্ৰাধিকৰণৰ সচিবে এই লোক আদালতৰ সুবিধা গ্ৰহণ কৰিবলৈ জনসাধাৰণৰ প্ৰতি আহ্বান জনাইছে।

হোজাইতো ৮ মাৰ্চত লোক আদালতৰ আয়োজন কৰা হৈছে।

০০০০০

তেজপুৰ বিশ্ববিদ্যালয়ৰ ২০২৫-২৬ শিক্ষা বৰ্ষৰ বিভিন্ন পাঠ্যক্ৰমত নামভৰ্তিৰ বাবে অনলাইন পঞ্জীয়ন প্ৰক্ৰিয়া আৰম্ভ হৈছে। বিশ্ববিদ্যালয়খনৰ অধীনৰ স্নাতক, স্নাতকোত্তৰ, পি এইচ ডি, ডিপ্লোমা আৰু অন্যান্য পাঠ্যক্ৰমৰ বাবে আগ্ৰহী ছাত্ৰ-ছাত্ৰীসকলে অনলাইনযোগে আবেদন কৰিব পাৰিব। আবেদন জমা দিয়া অন্তিম তাৰিখ ৩০ এপ্ৰিল ধাৰ্য কৰা হৈছে আৰু ৬ৰ পৰা ৮ জুনত তেজপুৰ বিশ্ববিদ্যালয়ৰ প্ৰৱেশ পৰীক্ষা টি ইউ ই ই অনুষ্ঠিত হ'ব।

০০০০০

নিউজিলেণ্ড আজি পাকিস্তানৰ লাহোৰত হ'বলগীয়া আই চি চি চেম্পিয়নছ ট্ৰফী ক্ৰিকেট প্ৰতিযোগিতাৰ দ্বিতীয়খন ছেমি ফাইনেলত দক্ষিণ আফ্ৰিকাৰ বিৰুদ্ধে অৱতীৰ্ণ হ'ব। খেলখন দিনৰ আঢ়ৈ বজাত আৰম্ভ হ'ব।

ইপিনে, ভাৰতে কালি ডুবাইত অনুষ্ঠিত প্ৰথমখন ছেমি ফাইনেলত অষ্ট্ৰেলিয়াক ৪ উইকেটত পৰাস্ত কৰি ফাইনেলত প্ৰৱেশ কৰে। ভাৰতে ২৬৫ ৰাণৰ বিজয় লক্ষ্যৰে খেল আৰম্ভ কৰি ৪৮ অ'ভাৰ আৰু এটা বলত ছটা উইকেট হেৰুৱাই ২৬৭ ৰান সংগ্ৰহ কৰে।

ইয়াৰ পূৰ্বে অষ্ট্ৰেলিয়াই টছত জিকি প্ৰথমে বেট ধৰাৰ সিদ্ধান্ত লৈ ৪৯ অ'ভাৰ আৰু তিনিটা বলত আটাইকেইটা উইকেট হেৰুৱাই ২৬৪ ৰাণ কৰে। প্ৰতিযোগিতাৰ ফাইনেল খেলখন অহা দেওবাৰে ডুবাইত খেলোৱা হ'ব।

০০০০০

সমাপ্ত